**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৮২**

## মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ দ্বাৰা আয়োজিত অসামৰিক সেৱা পৰীক্ষাৰ বিনামূলীয়া প্ৰশিক্ষণ কাৰ্যসূচী

**দিছপুৰ, ১১ মে' ঃ** 'জীৱনৰ বিভিন্ন মুহূৰ্তত প্ৰতি গৰাকী ব্যক্তিয়ে পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হয়। ইয়াৰ বাবে প্ৰত্যাহ্বান অহাটো স্বাভাবিক। প্ৰত্যাহ্বান অতিক্ৰমী সফলতা আহৰণ কৰিবলৈ হ'লে কঠোৰ শ্ৰম কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে নিজকে যোগ্য ব্যক্তি হিচাপে গঢ় দিব লাগিলে দৃঢ় মানসিকতাৰে লক্ষ্য স্থিৰ কৰি আগবাঢ়িব লাগিব। প্ৰতিযোগিতামুখী পৰীক্ষা সমুহত সফলতা আহৰণ কৰিব লাগিলে আমাৰ যুৱ প্ৰজন্মই অধিক শ্ৰম কৰিব লাগিব।' আজি শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ দ্বাৰা আয়োজিত কেন্দ্ৰীয় অসামৰিক সেৱা আৰু অসম অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে বিনামূলীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এনে ধৰণৰ বিনামূলীয়া প্ৰশিক্ষণ চৰকাৰী ভাবে পূৰ্বতে অনুষ্ঠিত হোৱা নাছিল। ৰাইজৰ ধনৰে আয়োজন কৰা এই প্ৰশিক্ষণৰ সৎ ব্যৱহাৰ কৰিব লাগিব। ৰাজ্যখনত দুৰ্নীতিৰ বিৰুদ্ধে সত্যাগ্ৰহ আৰম্ভ হৈছে। দুৰ্নীতিৰ বিৰুদ্ধে এই যুঁজ অব্যাহত থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সু-শাসনৰ জৰিয়তে চৰকাৰে জনসাধাৰণৰ কল্যাণ সাধন কৰিব বিচাৰিছে। ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব লক্ষ্য স্থিৰ কৰি বিজয়ী হোৱাৰ বাবে সৰ্বাত্মক প্ৰয়াস চলাব লাগিব। কঠোৰ শ্ৰম, শৃখলাবদ্ধ যাত্ৰা অবিহনে জীৱনত সফলতা আহৰণ কৰাটো সম্ভৱ নহয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আমি সকলোৰে মিলি সংস্কাৰৰ বাবে আপ্ৰাণ প্ৰচেষ্টা চলাব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এখন সমৃদ্ধিশালী অসম নিৰ্মাণ কৰিব লাগিলে সকলো জাতি-জনগোষ্ঠীৰ স্বাভিমান, মৰ্যাদা বৃদ্ধি কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভি আই পি যুগৰ অৱসান ঘটাই প্ৰতিগৰাকী ব্যক্তিৰ সম-মৰ্যাদাক গুৰুত্ব আৰোপ কৰিছে। ভি আই পি সংস্কৃতি থাকিলে শ্ৰেণী বিভাজন হয়। শ্ৰেণী বিভাজন হ'লে সকলোৰে আত্ম সন্মানেৰে জীয়াই থকাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি হয় বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিখ্যাত ব্যক্তিসকল মানৱতাৰ পূজাৰী বুলি উল্লেখ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে কয় যে ভাল কামৰ দ্বাৰাহে সমাজত শক্তিশালী স্থান নিৰ্ণয় কৰা সম্ভৱ।

অনুষ্ঠানত ভাষণ দি শিক্ষা, স্বাস্থ্য, বিত্ত বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়াৰে পৰা সকলোবোৰ প্ৰতিযোগিতামুখী পৰীক্ষা নিকা হ'ব আৰু মেধাৰ ভিত্তিতহে প্ৰাৰ্থী নিৰ্বাচন কৰা হ'ব। অসমৰ আশাব্যঞ্জক পৰিৱৰ্তনৰ বাবে চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে নিৰলস যুঁজ চলাই যাব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। সভাত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্য সচিব বিনোদ কুমাৰ পিপাৰচেনীয়াই ভাষণ দিয়ে।

আজিৰ সভাত কেইবাগৰাকী বিধায়ক, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ৰাজ্যিক ছাত্ৰ আৰু যুৱ কল্যাণ পৰিষদৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ প্ৰধান সচিব এ কে তিৱাৰী, পৰিবহন বিভাগৰ আয়ুক্ত-সচিব আশুতোষ অগ্নিহোত্ৰী প্ৰমুখ্যে অন্যান্য গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

পুঃডেঃ / বঃভাঃ
১১/৫/২০১৭